# 2018

## ASSAMESE

## ( Major )

### Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) প্ৰথম অসমীয়া সামাজিক নাটখনৰ নাম কি?

(খ) 'গাঁওবুঢ়া' নাটখনৰ ৰচক কোন?

(গ) 'সীতা হৰণ' নাটখনৰ নাট্যকাৰগৰাকীৰ নাম কি?

(ঘ) জুনুফা কাৰ দেউতাক আছিল?

(ঙ) মণিমুগ্ধ কোন দেশৰ অধিপতি আছিল?

(চ) মূলাগাভৰু কোন আহোম বিষয়াৰ পত্নী আছিল?

(ছ) কিমান চনত মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা প্ৰথম নাটখনৰ নাম কি আৰু এইখন ক'ত প্ৰকাশ পাইছিল?

(খ) 'ৰূপালীম' নাটকত বিদেশী নাট্যকাৰৰ কোনখন নাটকৰ প্ৰভাৱ লক্ষ্য কৰা যায়?

(গ) মণিৰাম দেৱানক ইংৰাজে কিয় ফাঁচী দিছিল?

(ঘ) দিহিঙীয়া ৰজাৰ দিনত মূল ৰাজবিষয়া কোন কোন আছিল?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাট 'শোণিত কুঁৱৰী'ৰ নতুনত্বৰ বিষয়ে আলোচনা কৰা।

(খ) 'ৰূপালীম' নাটকৰ ইতিভেন চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্য কেনেকুৱা?

(গ) হৰনাথ কোন আছিল? তেওঁ কাৰ হৈ কাম কৰিছিল?

(ঘ) 'ৰঙাচিলা' মানে কি? 'ৰঙাচিলা' নামেৰে কাক মতা হৈছিল?

(ঙ) মূলাগাভৰুৰ ক'ত, কেনেকৈ মৃত্যু হৈছিল?

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) আধুনিক অসমীয়া নাটকৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে উদাহৰণসহ এটি আলোচনা দাঙি ধৰা।

(খ) সংস্কাৰমূলক নাটক হিচাপে 'বামনৱমী' নাটৰ এটি আলোচনা আগবঢ়োৱা।

(গ) 'ৰূপালীম' নাটকৰ নায়িকা কোন? তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

(ঘ) 'মণিৰাম দেৱান' নাটখনৰ মাজেৰে নায়কৰ দেশপ্ৰেমৰ চানেকি কেনেদৰে পাব পাৰি, নিদৰ্শনসহ আলোচনা কৰা।

(ঙ) বুৰঞ্জীমূলক নাটক কাক বোলে? 'হেংদাং'ক বুৰঞ্জীমূলক নাটক বুলি অভিহিত কৰিব পাৰিনে? আলোচনা কৰা।

★★★